# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 02-08-2025 **Time :** 0900Hrs.

## HEADLINES
::::::::::::::::::

১। ড০ ভূপেন হাজৰিকাৰ বছৰযোৰা জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ বাবে ৰাজ্য চৰকাৰৰ বিশেষ আয়োজন। অহা ৮ ছেপ্তেম্বৰত উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ।

২। দক্ষ আৰু আধুনিক ন্যায় ব্যৱস্থা প্ৰদানৰ অৰ্থে মুখ্যমন্ত্ৰীৰ আমিনগাঁৱত জিলা ন্যায়াধীশ আদালতৰ নৱনিৰ্মিত ভৱন মুকলি।

৩। ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত অসমৰ সাফল্য। ৰঙাটাপু-১৯৮২লৈ শ্ৰেষ্ঠ অসমীয়া ছবিৰ ৰজতকমল বঁটা।

৪। উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীসকলৰ সৱলীকৰণৰ বাবে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ ডিব্ৰুগড়ত অত্যাধুনিক আঞ্চলিক উৎকৰ্ষতা কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা।

আৰু

৫। বলাৰৰ আধিপত্যৰ বাবে অ'ভেল ক্ৰিকেট টেষ্ট আকৰ্ষণীয় পৰ্যায়ত।

০০০০০

অহা ৮ ছেপ্তেম্বৰত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ উদ্বোধনী অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীগৰাকীয়ে কেইবাটাও ভাষাত লিখি উলিওৱা ভূপেন হাজৰিকাৰ জীৱনী গ্ৰন্থ উন্মোচন কৰিব। ড° ভূপেন হাজৰিকাৰ বছৰযোৰা জন্ম শতবাৰ্ষিকী উদ্‌যাপনৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত আনুষ্ঠানিকভাৱে এটা পোৰ্টেল মুকলিৰ পূৰ্বে এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত এহেজাৰ শিল্পীয়ে ২৩ মিনিট জুৰি ড° ভূপেন হাজৰিকাৰ কেইবাটাও গীতৰ এটাকৈ অন্তৰা অসমীয়া, বঙালী আৰু হিন্দী ভাষাত পৰিৱেশন কৰিব। ইয়াৰ বাবে প্ৰতিখন মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ কণ্ঠশিল্পীসকলক আমন্ত্ৰণ জনোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণতে দৰং জিলাত তিনিটা প্ৰকল্প মুকলি কৰাৰ লগতে গুৱাহাটীৰ ৰিং ৰোডৰ আধাৰশিলা স্থাপন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে জনায়। এই সংবাদমেলতে ড০ শৰ্মাই ২৯ আগষ্টত গৃহমন্ত্ৰী অমিত শ্বাহে অসম ভ্ৰমণ কৰি নতুন ৰাজভৱন মুকলি কৰিব বুলি প্ৰকাশ কৰে। একেখন সংবাদমেলতে অৰুণোদয় আঁচনি সন্দৰ্ভত মুখ্যমন্ত্ৰী শৰ্মাই কয়, যে অহা ১৭ ছেপ্তেম্বৰত অৰুণোদয় আঁচনিৰ তৃতীয় সংস্কৰণ মুকলি কৰা হ'ব আৰু ৰাজ্যৰ ইতিহাসত প্ৰথমবাৰৰ বাবে ৪০ লাখ পৰিয়ালক এই আঁচনি সামৰি লোৱা হ'ব।

***(বাইট ঃ ড০ শৰ্মা)***

ড০ শৰ্মাই অৰুণোদয় হিতাধিকাৰীসকলক ৰন্ধন গেছ ক্ৰয়ত ২২৫ টকাকৈ ৰেহাই দিয়াৰ এটা পাইলট আঁচনি গ্ৰহণৰ বাবে ৰাজ্য চৰকাৰে পৰিকল্পনা কৰাৰ কথা প্ৰকাশ কৰে।

০০০০০

দক্ষ আৰু আধুনিক ন্যায় ব্যৱস্থা প্ৰদানৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি কামৰূপ জিলাৰ আমিনগাঁৱত জিলা ন্যায়াধীশ আদালতৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে ন্যায়ৰ মন্দিৰস্বৰূপ আদালতসমূহত সুচাৰুৰূপে কাৰ্য সম্পাদনৰ বাবে ন্যায়িক আন্তঃগাঁথনিৰ উন্নয়ন সাধন হৈছে চৰকাৰৰ প্ৰাথমিক দায়িত্ব। তেওঁ কয়, যে সময়ৰ লগে লগে গোচৰৰ বৰ্ধিত সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি দীৰ্ঘদিন ধৰি এটা নতুন আদালত ভৱনৰ প্ৰয়োজন হৈ আহিছে। নতুনকৈ উদ্বোধন কৰা আধুনিক সা-সুবিধাৰে সজ্জিত এই ভৱনে ন্যায়িক প্ৰক্ৰিয়া ত্বৰান্বিত কৰি সঠিক সময়ত ন্যায় প্ৰদান নিশ্চিত কৰাত সহায় কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

উল্লেখযোগ্য যে, ৫২ কোটি ২৫ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা জিলা ন্যায়িক আদালত চৌহদত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত, মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতৰ লগতে যান-বাহন দুৰ্ঘটনা বিবাদ নিষ্পত্তিকৰণ কেন্দ্ৰ আৰু আইন সেৱা প্ৰাধিকৰণকে ধৰি মুঠ ১৫ খন ন্যায়িক আদালতৰ ব্যৱস্থা আছে।

০০০০০

ৰাজভৱন, অসমৰ উদ্যোগত ৰাজ্যপাল অসম প্ৰতিভা উদগণিমূলক আঁচনি ২০২৫ৰ অধীনত ইউ পি এছ চি পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা সকললৈ নতুন দিল্লীত বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। সদৌ অসম ভিত্তিত প্ৰতিভা সন্ধানী পৰীক্ষাৰ যোগেদি বিনামূলীয়া প্ৰশিক্ষণৰ বাবে ১০গৰাকী প্ৰাৰ্থীক বাচনি কৰা হ'ব। আগ্ৰহীসকলে ১০ আগষ্টৰ ভিতৰত gappy.assam.gov.in ৱেৱচাইটৰ যোগেদি আবেদন কৰিব পাৰিব।

০০০০০

সদ্যঘোষিত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত অসমৰ কেইবাখনো চলচ্চিত্ৰই বঁটা লাভ কৰিছে। আদিত্যম শইকীয়া পৰিচালিত **ৰঙাটাপু-১৯৮২** নামৰ ছবিখনে শ্ৰেষ্ঠ অসমীয়া ছবিৰ ৰজতকমল বঁটা লাভ কৰিছে। টাইফাকে ভাষাৰ ছবি **পাইটাং-ষ্টেপ অৱ হপলৈ** ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান কৰা হৈছে। অ-কাহিনী চিত্ৰ শিতানত মিজো ভাষাৰ এখন তথ্য চিত্ৰৰ বাবে শিল্পীকা বৰদলৈয়ে শ্ৰেষ্ঠ নৱাগত পৰিচালকৰ বঁটা লাভ কৰিছে। অ-কাহিনী চিত্ৰ শিতানত সঞ্জীৱ পৰাশৰেও বঁটা লাভ কৰিছে। বিশিষ্ট চিত্ৰ সমালোচক,আকাশবাণীৰ অৱসৰপ্ৰাপ্ত বিষয়া তথা চলচ্চিত্ৰ নিৰ্মাতা উৎপল দত্তলৈ শ্ৰেষ্ঠ চলচ্চিত্ৰ সমালোচকৰ স্বৰ্ণ কমল বঁটা আগবঢ়োৱা হৈছে। বঁটা লাভ কৰি বিশিষ্ট চলচ্চিত্ৰ সমালোচকগৰাকীয়ে আমাৰ বিশেষ সংবাদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ আগত এইদৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰে–

**-বাইট-**

ইপিনে, ৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেতা বঁটা লাভ কৰিছে হিন্দী ছবিৰ জনপ্ৰিয় অভিনেতা শ্বাহৰুখ খান আৰু বিক্ৰন্ত মেচিয়ে। টুৱেলভ্‌থ ফেইল ছবিখনলৈ শ্ৰেষ্ঠ ছবিৰ ৰাষ্ট্ৰীয় বঁটা আগবঢ়োৱা হৈছে। মিছেছ চেটাৰ্জী ভাৰ্ছাছ নৰৱে নামৰ অগতানুগতিক ছবিখনৰ বাবে ৰাণী মুখাৰ্জীয়ে শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰিছে।

আনহাতে শ্ৰেষ্ঠ হিন্দী ছবিৰ সন্মান লাভ কৰে **কাথাল** ছবিখনে।

০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ যুৱক-যুৱতীসকলৰ দক্ষতা বিকাশৰ জৰিয়তে সৱলীকৰণৰ বৃহৎ পদক্ষেপ হিচাপে কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে ডিব্ৰুগড়ত এটা অত্যাধুনিক আঞ্চলিক উৎকৰ্ষতা কেন্দ্ৰ স্থাপন কৰিব। আত্মনিৰ্ভৰ ভাৰত অভিযান আৰু কেন্দ্ৰীয় চৰকাৰৰ সামুদ্ৰিক অমৃতকাল দৃষ্টিভংগী- ২০৪৭ৰ সৈতে সংগতি ৰাখি এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। লোকসভাৰ বৰ্ষাকালীন অধিৱেশনত এটা প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা প্ৰকাশ কৰে। শ্ৰী সোণোৱালে কয়, যে ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া এই উৎকৰ্ষতা কেন্দ্ৰই ৰাজ্যৰ যুৱক-যুৱতীসকলৰ অফুৰন্ত সুযোগ, সম্ভাৱনা বৃদ্ধি কৰিব আৰু তেওঁলোকক বিশ্বমানৰ সামুদ্ৰিক দক্ষতাৰে সাজু কৰা হ'ব। এই প্ৰকল্পই ৫০ হাজাৰৰো অধিক প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগ সৃষ্টি কৰাৰ লগতে ভাৰতৰ আভ্যন্তৰীণ জলপৰিবহণ অৰ্থনীতিত অৰিহণা যোগাব বুলি শ্ৰী সোণোৱালে উল্লেখ কৰে। উল্লেখযোগ্য যে ১৮৮ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই উৎকৰ্ষতা কেন্দ্ৰই স্মাৰ্ট নেভিগেচন প্ৰণালী, সামুদ্ৰিক অভিযন্তা, তথ্য প্ৰযুক্তি আৰু ল'জিষ্টিককে ধৰি অন্যান্য অত্যাধুনিক ক্ষেত্ৰত  উন্নত প্ৰশিক্ষণ প্ৰদান কৰিব। তদুপৰি এই কেন্দ্ৰত ৰাষ্ট্ৰীয় মানৰ সৈতে সংগতি ৰাখি আভ্যন্তৰীণ জলপথ পৰিচালনা আৰু সামুদ্ৰিক সুৰক্ষামূলক পাঠ্যক্ৰমো আগবঢ়াব।

ooooo

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত আজি পঞ্চমদিনা প্ৰশাসন তথা বন বিভাগে উচ্ছেদ অভিযান চলাব। আজি বিদ্যাপুৰ আৰু ২ নম্বৰ মধুপুৰত পুৱা ১০ বজাৰ পৰা অভিযান চলোৱা হ'ব।  আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে বনাঞ্চলৰ ৰজাপুখুৰী, গেলাজান, মধুপুৰ, ৰাণানগৰ, হালদীবাৰী, হাতীডুবি, অঞ্চলত আজি প্ৰশাসনে জৰীপ চলাব।

ooooo

অৰুণাচল প্ৰদেশত হৈ থকা প্ৰবল বৰষুণৰ ফলত হ'ব পৰা সম্ভাব্য বানৰ প্ৰতি লক্ষ্য ৰাখি ধেমাজি জিলা প্ৰশাসনে সতৰ্কতামূলক জাননী জাৰি কৰিছে। বিগত কেইবাদিনো ধৰি চুবুৰীয়া ৰাজ্যখনত হৈ থকা বৰষুণৰ ফলত নদীৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই নৈপৰীয়া লোকসকলক সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। জিলাখনৰ ব্ৰহ্মপুত্ৰ, সোঁৱণশিৰি, জিয়াধল আৰু গাইনদীৰ জলপৃষ্ঠ নিৰীক্ষণ কৰি থকা হৈছে বুলি আমাৰ ধেমাজিৰ সংবাদদাতাই জনাইছে।

-বাইট-

ooooo

অ'ভেল ক্ৰিকেট টেষ্ট আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। কালি দ্বিতীয় দিনা দুয়ো দলৰে বলাৰে খেলখনত আধিপত্য বিস্তাৰ কৰে আৰু একেদিনাই ১৫ টা উইকেটৰ পতন ঘটে। ভাৰতৰ প্ৰথম ইনিংছ ২২৪ ৰানত সমাপ্ত হোৱাৰ পাছত ইংলেণ্ডৰ প্ৰথম ইনিংছ আৰম্ভ কৰে। ইংলেণ্ডৰ হৈ জেক ক্ৰ'লি আৰু বেন ডাকেটে দলক সুন্দৰ আৰম্ভণি দিয়াৰ লগতে হেৰি ব্ৰুকে ৫৩ ৰানৰ বৰঙণি আগবঢ়ায়। কিন্তু ভাৰতীয় বলাৰ মহম্মদ ছিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণৰ উজ্জীৱীত বলিঙে ইংলেণ্ডৰ প্ৰথম ইনিংছ ২৪৭ ৰানত সামৰিবলৈ বাধ্য কৰায়। ছিৰাজ আৰু কৃষ্ণ উভয়ে চাৰিটাকৈ উইকেট দখল কৰে।

প্ৰথম ইনিংছত মাত্ৰ ২৩ ৰানত পিছ পৰি থকা ভাৰতে দ্বিতীয় ইংনিছ আৰম্ভ কৰে। কে এল ৰাহুল আৰু ছাইসুদৰ্শন কম ৰানতে আউট হয় যদিও য়শস্বী জয়ছোৱালে দৃঢ়তাৰে খেলি ৫১ ৰানত অপৰাজিত হৈ আছে। নাইট

ৰাছমেনৰ ৰূপত অহা আকাশ দীপে ৪ ৰান কৰি বেট ধৰি আছে। খেলখনৰ আজি তৃতীয় দিনা ভাৰতে দুই উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা সংগ্ৰহ কৰা ৭৫ ৰানৰ পৰা নিজৰ দ্বিতীয় ইনিংছৰ খেল পুনৰ আৰম্ভ কৰিব।

০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ঘাইকৈ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৭ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০

৭১ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা ঘোষণা, ৫ আগষ্টত চৰকাৰে ল’ব ৯০০ কোটিৰ ঋণ, ৮ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰীৰ উপস্থিতিত এহেজাৰ শিল্পীয়ে গাব সুধাকণ্ঠৰ গীত আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। ভাৰতৰ ওপৰত ২৫ শতাংশ শুল্ক আৰোপ কৰা কাৰ্যবাহী সিদ্ধান্তত মাৰ্কিন ৰাষ্ট্ৰপতি ডনাল্ড টাম্পে স্বাক্ষৰ কৰা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰকাশ কৰিছে। কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়ত প্ৰস্তুত কৰা কৃত্ৰিম প্ৰ’টিন অণুৰে কৰ্কট কোষ অথবা ইমিউন’থেৰাপী তৈয়াৰ কৰি মানৰ দেহৰ ৰোগ প্ৰতিৰোধ তন্ত্ৰক শক্তিশালী কৰাৰ বাবে অসম সন্তান তথা বিশিষ্ট বিজ্ঞানী ৰুবুল মাউতৰ নেতৃত্বত হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ এটা বিজ্ঞানীৰ দলে নতুন উপায় উদ্ভাৱন কৰিছে। এই বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। সমগ্ৰ উত্তৰপূৰ্বাঞ্চল, বিহাৰ, ঝাৰখণ্ড আৰু ওড়িশাৰ বৃহৎ অংশ বাংলাদেশৰ অংশ বুলি এছ ই এম নামৰ এটা সংগঠনে বৃহত্তৰ বাংলাদেশৰ এখন মানচিত্ৰ প্ৰকাশ কৰিছে। তুৰস্কৰ সমৰ্থন প্ৰাপ্ত এই সংগঠনটোৰে ভাৰতৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা কৰা এটা বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। চাৰিটা ভাৰতীয় চৰকাৰী তেল কোম্পানীয়ে সম্প্ৰতি ৰাছিয়াৰ পৰা খাৰুৱা তেল ক্ৰয় কৰা বন্ধ কৰিছে। এই বাতৰিটো **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে অহা ৮ ছেপ্তেম্বৰত চৰকাৰীভাৱে পালন কৰিবলগীয়া ড০ ভূপেন হাজৰিকাৰ জন্মশতবৰ্ষ অনুষ্ঠানৰ বিস্তৃত বাতৰি প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে বিহাৰৰ খচৰা ভোটাৰ তালিকাত ৬৫ লাখতকৈও অধিক লোকৰ নাম কৰ্তন কৰা বাতৰিটো গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে অসমসহ সমগ্ৰ দেশতে ভোটাৰ তালিকাৰ ব্যাপক পুনৰীক্ষণৰ কাম আৰম্ভ হ’ব বুলি এটা বাতৰি প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল** কাকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ড০ ভূপেন হাজৰিকা জন্মশতবৰ্ষ অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলি এটা বাতৰি প্ৰকাশ কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰই ভাৰত আৰু অন্যান্য দেশৰ ওপৰত লগোৱা বাণিজ্য শুল্ক সন্দৰ্ভত **দি আছাম ট্ৰিবিউন** কাকতে বাতৰি প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত